# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-06-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আজি চাইপ্ৰাছৰ সৰ্বোচ্চ সন্মান গ্ৰেণ্ড ক্ৰছ অব্ দা অৰ্ডাৰ অব মেকাৰিয়ছ থ্ৰীৰে সন্মানিত কৰা হয়।

২। কেন্দ্ৰীয় চৰকাৰে পৰৱৰ্তী লোকপিয়লৰ বাবে আজি অধিসূচনা জাৰি কৰিছে।

৩। আহমেদাবাদৰ বিমান দুৰ্ঘটনাটোৰ বিষয়ে অনুসন্ধান কৰাৰ বাবে গঠন কৰা উচ্চস্তৰীয় সমিতিখনৰ প্ৰথমখন বৈঠক আজি আবেলি নতুন দিল্লীত অনুষ্ঠিত হ'ব।

৪। মেঘালয়ৰ পশ্চিম গাৰোপাহাৰ জিলাত তুৰা বাইপাছ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰ্যালয়ে ৯৫১ কোটি ২৭ লাখ টকাৰ পুঁজি আৱণ্টন দিছে।

আৰু

৫। উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰৱেশ ঘটিছে। প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত কেৰালা আৰু মহাৰাষ্ট্ৰৰ কেইবাখনো জিলাত ৰেড এলাৰ্ট জাৰি কৰা হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আজি চাইপ্ৰাছৰ সৰ্বোচ্চ সন্মান গ্ৰেণ্ড ক্ৰছ অব্ দা অৰ্ডাৰ অব মেকাৰিয়ছ থ্ৰীৰে সন্মানিত কৰা হয়। নিক'চিয়াৰ ৰাষ্ট্ৰপতি প্ৰাসাদত আয়োজিত এটা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত শ্ৰী মোদীলৈ এই সন্মান আগবঢ়োৱা হয়। উল্লেখযোগ্য যে চাইপ্ৰাছৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি আৰ্কবিছপ মেকাৰিয়ছ থ্ৰীৰ নামেৰে দেশখনে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ বিশিষ্ট নেতৃবৰ্গলৈ তেওঁলোকৰ অসামান্য বৰঙণিৰ প্ৰতি স্বীকৃতি হিচাপে দেশখনে এই সন্মান আগবঢ়াই আহিছে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীক চাইপ্ৰাছৰ নিকোচিয়াত অৱস্থিত ৰাষ্ট্ৰপতিৰ প্ৰাসাদত আজি আড়ম্বৰপূৰ্ণভাৱে আদৰণি জনোৱা হয়। আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিয়া মতে প্ৰধানমন্ত্ৰী মোদী সম্প্ৰতি দেশখনৰ ৰাষ্ট্ৰপতি নিকোছে ক্ৰিষ্টো ডোলীডিজৰ সৈতে পোনপটীয়া আলোচনাত মিলিত হৈছে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত দুয়োগৰাকী নেতাই ভাৰত আৰু চাইপ্ৰাছৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰাৰ লগতে বাণিজ্য, বিনিয়োগ, আন্তঃগাঁথনি আৰু উদ্ভাৱনকে ধৰি বিভিন্ন বিষয়ক লৈ সহযোগিতাৰ নতুন পথৰ সন্ধানত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰিব। তেওঁলোকৰ এই বৈঠকত ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ সম্পৰ্কৰ লগতে ভাৰত, মধ্যপ্ৰাচ্য আৰু ইউৰোপৰ অৰ্থনৈতিক কৰিডৰৰ লেখীয়া বিষয়সমূহেও বিশেষভাৱে গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে।

আজিৰ দিনটোতেই প্ৰধানমন্ত্ৰী মোদীয়ে চাইপ্ৰাছৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে নিকোচিয়া টাউন হল পৰিদৰ্শন কৰিব আৰু ইয়াৰ পাছত তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শান্তি ৰক্ষাৰ হকে ভাৰতে আগবঢ়াই অহা দীৰ্ঘদিনীয়া বৰঙণিৰ সমৰ্থনত প্ৰতীকী ৰূপত যুটীয়াভাৱে ৰাষ্ট্ৰসংঘৰ যুদ্ধবিৰতি ৰেখা পৰিদৰ্শন কৰিব।

নিজৰ ভ্ৰমণসূচীৰ পৰৱৰ্তী পৰ্যায়ত জি ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কানাডালৈ ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে ৰাষ্ট্ৰপতিৰ প্ৰাসাদত আয়োজন কৰা এখন চৰকাৰী ভোজমেলত অংশগ্ৰহণ কৰি তেওঁ চাইপ্ৰাছ ভ্ৰমণৰ সামৰণি মাৰিব।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি দেশখনৰ ৰাষ্ট্ৰপতি নিকোছে ক্ৰিষ্টো ডোলীডিজৰ সৈতে লেমেছছত ভাৰত আৰু চাইপ্ৰাছৰ শীৰ্ষস্থানীয় উদ্যোগপতি সকলৰ সৈতে এখন বাণিজ্যিক ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰে।

000000000

কেন্দ্ৰীয় চৰকাৰে পৰৱৰ্তী লোকপিয়লৰ বাবে আজি অধিসূচনা জাৰি কৰিছে। গৃহ মন্ত্ৰ্যালয়ৰ পৰা জাৰি কৰা এই অধিসূচনা অনুসৰি ২০২৭ বৰ্ষৰ ১ মাৰ্চৰ দিনটো এই লোকপিয়লৰ ভিত্তি তাৰিখ হিচাপে ধাৰ্য কৰা হৈছে। অৱশ্যে কেন্দ্ৰীয় শাসিত অঞ্চল লাডাখ

আৰু জম্মু-কাশ্মীৰৰ বৰফাবৃত্ত এলেকাসমূহৰ লগতে  হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ বাবে এই ভিত্তি তাৰিখ হ'ব ২০২৬ চনৰ ১ অক্টোবৰ।

০০০০০০০০০

আহমেদাবাদৰ বিমান দুৰ্ঘটনাটোৰ বিষয়ে অনুসন্ধান কৰাৰ বাবে গঠন কৰা উচ্চস্তৰীয় সমিতিখনৰ প্ৰথমখন বৈঠক আজি আবেলি নতুন দিল্লীত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় গৃহ সচিবগৰাকীক অধ্যক্ষ হিচাপে লৈ গঠন কৰা এই সমিতিখনৰ আন সদস্যসকল হ'ল- কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ সচিব, গৃহ মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াবৰ্গ, গুজৰাটৰ গৃহ বিভাগ আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি প্ৰাধিকৰণৰ বিষয়াবৰ্গ, আহমেদাবাদৰ আৰক্ষী আয়ুক্ত, ইণ্ডিয়ান এয়াৰ ফ'ৰ্চৰ পৰিদৰ্শন আৰু সুৰক্ষা বিভাগৰ সঞ্চালকপ্ৰধান আৰু অসামৰিক বিমান পৰিবহণ নিৰাপত্তা ব্যুৰ'ৰ সঞ্চালকপ্ৰধান। সমিতিখনে ৩ মাহৰ ভিতৰত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিব। এই অনুসন্ধানৰ জৰিয়তে ভৱিষ্যতে এনেধৰণৰ দুৰ্ঘটনাৰ পুনৰাবৃত্তি নঘটাৰ বিষয়ত গুৰুত্ব আৰোপ কৰি সমিতিখনে মানসম্পন্ন পৰিচালন ব্যৱস্থা যুগুতোৱাৰ বিষয়ত গুৰুত্ব আৰোপ কৰিব বুলি আশা প্ৰকাশ পাইছে। উল্লেখযোগ্য যে বিমান দুৰ্ঘটনা অনুসন্ধান ব্যুৰ' এ এ আই বি নামৰ সংস্থাটোৱে নিজাববীয়া সুকীয়া অনুসন্ধান ব্যৱস্থাৰ জৰিয়তে যোৱা ১২ জুনত সংঘটিত এই বিমান দুৰ্ঘটনাটোৰ কাৰিকৰী দিশসমূহ চোৰাচিতা কৰি আছে। লণ্ডন অভিমুখী ব'য়িং ছেভেন এইট ছেভেন - এইট বিমানখন আহমেদাবাদৰ পৰা উৰা মৰাৰ ঠিক পাছতেই  সংঘটিত এই দুৰ্ঘটনাটোত বিমানখনৰ ২৪২ গৰাকী আৰোহীৰ এগৰাকীৰ বাহিৰে আন কেউজনেই মৃত্যুমুখত পৰিছিল।

০০০০০০০০০

মেঘালয়ৰ পশ্চিম গাৰোপাহাৰ জিলাত তুৰা বাইপাছ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে ৯৫১ কোটি ২৭ লাখ টকাৰ পুঁজি আৱণ্টন দিছে। জিলা সদৰ তুৰালৈ যাতায়াতৰ পথত যান-বাহনৰ হাৰ হ্ৰাস কৰাৰ লগতে নগৰাঞ্চলৰ পথ সুৰক্ষাৰ প্ৰতি দৃষ্টি আৰোপ কৰি ২৯ দশমিক শূন্য তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথছোৱা নিৰ্মাণ কৰা হ'ব। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নিতিন গাডকাৰীয়ে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাৰ জৰিয়তে এই কথা প্ৰকাশ কৰি লগতে কয়, যে দুশৰীয়া পথ হিচাপে নিৰ্মাণ কৰিবলগীয়া প্ৰস্তাৱিত বাইপাছটোৱে ১২৭ বি নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু ২১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথক সংযোগ কৰিব।

০০০০০০০০০

ক'লকাতাৰ খিদিৰপুৰ বজাৰ এলেকাত যোৱানিশা সংঘটিত এটা ভয়াৱহ অগ্নিকাণ্ডত এহেজাৰতকৈও অধিক সংখ্যক দোকান ভস্মীভূত হয়। পুৱতিনিশা প্ৰায় ২ বজাত সূত্ৰপাত ঘটা এই জুই নুমুৱাবৰ বাবে অগ্নি নিৰ্বাপক বাহিনীৰ কুৰিখনতকৈও অধিক গাড়ীৰ ব্যৱহাৰ কৰিবলগীয়া হয়। অগ্নি নিৰ্বাপন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে এই অগ্নিকাণ্ডত চাউলৰ গুদামকে ধৰি ভালেমান দোকান ধবংসপ্ৰাপ্ত হয়। পশ্চিমবংগৰ অগ্নি আৰু জৰুৰী সেৱা বিভাগৰ মন্ত্ৰী সুজিত বসুৱে ঘটনাস্থলী পৰিদৰ্শন কৰি সকলোধৰণৰ প্ৰয়োজনীয় সহায়-সাহায্য আগবঢ়োৱাৰ আশ্বাস দিয়ে। স্থানীয় বাসিন্দাসকলে জুই নুমুওৱা গাড়ী উপস্থিত হোৱাত বিলম্ব ঘটা বাবে অগ্নিকাণ্ডত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ অধিক বৃদ্ধি পোৱা বুলি অভিযোগ কৰে।

০০০০০০০০০

উৎকট গৰমৰ পাছত এতিয়া উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰৱেশ ঘটিছে। ইয়াৰ প্ৰভাৱত অহা কিছুদিনলৈ অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত বৰষুণ হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে বুলি আঞ্চলিক বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। কোনো কোনো অঞ্চলত ধুমুহা, বতাহেৰে মুষলধাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী মহানগৰ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে সদৰি কৰা অনুসৰি কেৰালাত অনাগত কেইবাদিনলৈ ধাৰাসাৰ বৰষুণ অব্যাহত থাকিব। ৰাজ্যখনৰ উত্তৰৰ জিলাসমূহত প্ৰবল বৰষুণৰ লগতে নামনি অঞ্চলত আবদ্ধ পানীয়ে জনজীৱন ব্যাহত কৰাৰ সম্ভাৱনা আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি ৰাজ্যখনৰ ১১ খন জিলাত বন্ধ ঘোষণা কৰা হৈছে। দুৰ্ঘটনাৰ আশংকাত অহা কেইদিনমানলৈ পৰ্যটকৰ বাবে পাহাৰীয়া অঞ্চল ভ্ৰমণত বাধা আৰোপ কৰাৰ লগতে সাধাৰণ লোককো নিশাৰ ভাগত ভ্ৰমণ নকৰিবলৈ জিলা প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে।

মহাৰাষ্ট্ৰৰ ৰত্নগিৰি জিলাত যোৱানিশাৰ নেৰানেপেৰা বৰষুণৰ ফলত বাটপথত পানী জমা হোৱাৰ লগতে নদীসমূহৰ পানী বিপদসীমাৰ ওপৰেৰে বৈছে। ইয়াৰ ফলত জিলাখনত পৰিবহণ ব্যৱস্থা বিঘ্নিত হৈছে। ৰত্নগিৰি আৰু সিন্দুদুৰ্গ অঞ্চলত অহা ২৪ ঘণ্টালৈ ৰেড এলাৰ্ট জাৰি কৰা হৈছে।

০০০০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **চাইবাৰ অপৰাধ-আৰু নিৰাপদ হৈ থকাৰ উপায়** সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত ভাৰতীয় চাইবাৰ অপৰাধ সহযোগিতা কেন্দ্ৰৰ চাইবাৰ প্ৰৱঞ্চনা নিয়ন্ত্ৰণ কেন্দ্ৰৰ সঞ্চালক লেফটেনেণ্ট কৰ্ণেল বাদল কৌশিক আৰু চাইবাৰ সুৰক্ষা বিশেষজ্ঞ গুলচন ৰায় সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিসকলক এই বিষয়ে প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফএম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০০০

ব্ৰিটেইনৰ বিদেশী চোৰাংচোৱা সংস্থা এম আই ছিক্সৰ ১১৬ বছৰীয়া ইতিহাসত প্ৰথমবাৰৰ বাবে এগৰাকী মহিলাই সংস্থাটোৰ মুৰব্বীৰ দায়িত্ব গ্ৰহণ কৰিব। ১৯৯৯ চনত দেশখনৰ ছিক্ৰেট ইণ্টেলিজেঞ্চ ছাৰ্ভিচত যোগদান কৰা ব্লেইজ মেট্ৰেৱেলীয়ে চলিত বৰ্ষৰ শেষৰফালে ৰিচাৰ্ড মুৰৰ পৰা সংস্থাটোৰ অষ্টাদশগৰাকী মুৰব্বী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিব। সম্প্ৰতি চোৰাংচোৱা সংস্থাটোৰ প্ৰযুক্তি আৰু উদ্ভাৱনৰ দিশটো চোৱাচিতা কৰাৰ দায়িত্বত থকা মেট্ৰেৱেলীয়ে এম আই ছিক্সৰ নেতৃত্ব বহনৰ দায়িত্ব লাভ কৰি সন্মানিত বোধ কৰা বুলি প্ৰকাশ কৰিছে। দেশখনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰ্মাৰে তেওঁৰ নিযুক্তিক ঐতিহাসিক বুলি অভিহিত কৰি কয়, যে তেওঁলোকৰ দেশৰ চোৰাংচোৱা সেৱাৰ কাম-কাজ পূৰ্বৰ তুলনাত বহুগুণে অধিক গুৰুত্বপূৰ্ণ হৈ উঠাৰ সময়তে মেট্ৰেৱেলীয়ে এই দায়িত্বভাৰ লাভ কৰিছে।

০০০০০০০০০

সমাপ্ত